**অসম বিধান সভা**

**তৰা চিহ্নীত প্ৰশ্ন নং -* ৫৮**

**উত্তৰ দিয়াৰ তাৰিখ : ০৮/০৭/২০২৬**

বিষয় : শ্বহীদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণ আৰু শ্বহীদৰ নাম আৰু ঠিকনা বিভ্ৰাত সন্দৰ্ভত।

বিধায়ক : শ্ৰী চক্ৰধৰ গগৈ

**প্ৰশ্ন**

মাননীয় অসম চুক্তি ৰূপায়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৫ চনতে স্বাক্ষৰিত অসম চুক্তি অনুসৰি এই শ্বহীদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণ ইমান পলমকৈ হোৱাৰ কাৰণ কি? জনাব ।

(খ) এই স্মাৰক ক্ষেত্ৰত অংকিত কিমানজন শ্বহীদৰ মূৰ্তিৰ ফটো প্ৰকৃত আৰু কিমানজনৰ কাল্পনিক জনাব।

(গ) তাত উল্লেখিত শ্বহীদ সকলৰ সকলোৰে ঠিকনা সমূহ শুদ্ধনে? যদি কাৰোবাৰ অশুদ্ধ তেন্তে এই ঠিকনা কোনে যোগান ধৰিছিল? অশুদ্ধখিনি শুধৰণি কৰা হ'বনে ? জনাব ।

**উত্তৰ**

মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী শ্ৰীযুত অতুল বৰা মহোদয়ে উত্তৰ দিব:

(ক) ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ বিদেশী বহিস্কাৰৰ দাবীত হোৱা গণ আন্দোলন অসম চুক্তিৰে পৰিসমাপ্তি ঘটিছিল।উক্ত গণ আন্দোলনত ৮৬০ গৰাকী ব্যক্তি শ্বহীদ হৈছিল। তেওঁলোকৰ স্মৃতি জীয়াই ৰখাৰ স্বাৰ্থত বিভিন্ন ঠাইত চৰকাৰ তথা বিভিন্ন আন্দোলনকাৰী সংস্থাৰ উদ্যোগত শ্বহীদবেদী স্থাপন কৰা হৈছিল। অসম চুক্তিৰ ফলশ্ৰুতি স্বৰূপেই আন্দোলনৰ শ্বহীদসকলৰ স্মৃতি বহন কৰি আই.আই.টি. (IIT),কেন্দ্ৰীয় বিশ্ববিদ্যালয়, তৈল শোধনাগাৰ, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ ইত্যাদিৰ দৰে বিভিন্ন গুৰুত্বপূৰ্ণ প্ৰকল্প গঢ়ি উঠে।

তথাপিও, পৰৱৰ্তী চাৰিটা দশকতকৈও অধিক সময় ধৰি ৮৬০ গৰাকী শ্বহীদৰ পৰিয়ালবৰ্গই এক উচিত সামূহিক স্বীকৃতিৰ অভাৱ অনুভৱ কৰি আহিছিল। কাৰণ এই স্মাৰকসমূহ বিভিন্ন স্থানত সিঁচৰিত হৈ আছিল। সকলো শ্বহীদৰ স্মৃতিক একত্ৰিত কৰি নতুন প্ৰজন্মৰ বাবে প্ৰণালীবদ্ধভাৱে উপস্থাপন কৰিব পৰা কোনো একক, ৰাজ্যিক স্বীকৃতিপ্ৰাপ্ত কেন্দ্ৰীয় স্থান উপলব্ধ নাছিল।

সেইবাবেই, পৰিয়ালসমূহৰ বাবে একত্ৰিত হোৱাৰ এক মৰ্যাদাপূৰ্ণ স্থলী প্ৰদান কৰা, আন্দোলনৰ ঐতিহাসিক গুৰুত্ব সন্দৰ্ভত নতুন প্ৰজন্মক অৱগত কৰা আৰু শ্বহীদসকলৰ নাম-ইতিহাস স্থায়ীভাৱে সংৰক্ষিত কৰাৰ উদ্দেশ্যে এখন চৰকাৰী স্মাৰক নিৰ্মাণৰ বাবে নাগৰিক সমাজ আৰু সংগঠনে দাবী জনাই আহিছিল।

এই সামূহিক প্ৰয়োজনীয়তাৰ ফলশ্ৰুতিতেই কেন্দ্ৰীয়ভাৱে গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত "শ্বহীদ স্মাৰক ক্ষেত্ৰ আৰু উদ্যান" স্থাপনৰ সিদ্ধান্ত ২০১৬-১৭ চনত তৎকালীন ৰাজ্য চৰকাৰৰ দ্বাৰা লোৱা হয়। ভূমি নিৰ্বাচন, ভূমি হস্তান্তৰ, নক্সা প্ৰস্তুতকৰণ, বিভিন্ন কাৰিকৰী অনুমোদন, প্ৰশাসনিক আৰু বিত্তীয় অনুমোদন লাভ, লগতে বৃহৎ পৰিসৰৰ আন্তঃবিভাগীয় সমন্বয়ৰ বাবে কিছু সময়ৰ প্ৰয়োজন হৈছিল।

বৰ্তমান চৰকাৰে বিষয়টোক অগ্ৰাধিকাৰ দি কাম আগবঢ়াইছে আৰু উক্ত শ্বহীদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণৰ কাম দ্ৰুতগতিত চলি আছে। প্ৰকল্পটোৰ প্ৰথম পৰ্যায়ৰ কাম সম্পূৰ্ণ হৈছে আৰু দ্বিতীয় পৰ্যায়ৰ কামসমূহো নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(খ) শ্বহীদ স্মাৰক ক্ষেত্ৰত অসম আন্দোলনৰ মুঠ ৮৬০ জন শ্বহীদৰ আৱক্ষ মূৰ্তি (Bust)ৰ নিৰ্মাণ তথা প্ৰদৰ্শনৰ পৰিকল্পনা কৰা হৈছে । ইয়াৰ ভিতৰত বৰ্তমানলৈ ৪৮৭ জন শ্বহীদৰ আলোকচিত্ৰ পোৱা গৈছে। তাৰে প্ৰকৃত ফটোৰ সংখ্যা- ৩৮২ আৰু কল্পিত (Imaginary) ফটোৰ সংখ্যা - ১০৫ খন।

(গ) শ্বহীদসকলৰ নাম, ঠিকনা আৰু অন্যান্য তথ্যসমূহ মূলতঃ অসম আন্দোলনৰ সময়ৰ নথি-পত্ৰ, সদৌ অসম ছাত্ৰ সন্থা (AASU)-এ যোগান ধৰা তথ্য, সংশ্লিষ্ট জিলা উপায়ুক্তৰ কাৰ্যালয় আৰু স্থানীয়ভাৱে সংগৃহীত তথ্যৰ ভিত্তিত সংকলন কৰা হৈছে।

তথাপিও, যদি কোনো শ্বহীদৰ নাম, ঠিকনা বা আন তথ্যত কোনো তথ্যগত অসংগতি ধৰা পৰে, তেন্তে সংশ্লিষ্ট পৰিয়াল, সংগঠন বা জিলা প্ৰশাসনৰ পৰা যথাযথ তথ্য লাভ কৰাৰ পিছত প্ৰয়োজনীয় সংশোধন কৰা হ'ব।

*****

উত্তৰ অসম বিধানসভাৰ ৱেবছাইট “https://cms.neva.gov.in"ত আপলোড কৰা হৈছে।